Prepp
Your Personal Exams Guide

इस पुस्तिका में **16** मुद्रित पृष्ठ हैं।
This Booklet contains **16** printed pages.

| Language Code |
|---|
| **03** |

# CEF–26–I

## प्रश्न-पत्र—I / PAPER—I
## असमीया भाषा परिशिष्ट
## ASSAMESE LANGUAGE SUPPLEMENT
## भाग IV & V / PART IV & V

Main Test Booklet No. / मुख्य परीक्षा पुस्तिका संख्या

| Main Test Booklet Code / मुख्य परीक्षा पुस्तिका कोड |
|---|
| **V** |

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**

**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ संख्या 16) पर दिए गए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page No. 16) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका के पृष्ठ संख्या 2 व 15 देखें। / For Instructions in Assamese, see Page Nos. 2 and 15 of this Booklet.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग—IV (भाषा—I) **या** भाग—V (भाषा—II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेजी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग—IV व भाग—V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर-पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉलपॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत V** है। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट परीक्षा पुस्तिका का संकेत, उत्तर-पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं तथा प्रत्येक 1 अंक का है :

| | | |
|---|---|---|
| भाग—IV | : भाषा—I (असमीया) | (प्रश्न सं० 91–120) |
| भाग—V | : भाषा—II (असमीया) | (प्रश्न सं० 121–150) |

7. भाग—IV में भाषा—I के लिए 30 प्रश्न और भाग—V में भाषा—II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से सम्बन्धित प्रश्न दिए गए हैं। **यदि भाषा—I और/या भाषा—II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है/हैं, तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लें। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन-पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग—V (भाषा—II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा—I (भाग—IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ़ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर-पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This Booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part—IV (Language—I) **OR** Part—V (Language—II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part—IV and Part—V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue/Black Ballpoint Pen only** for writing particulars on this page/marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **V**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective-type Questions and each carrying 1 mark :

| | | |
|---|---|---|
| Part—IV | : Language—I (Assamese) | (Q. Nos. 91–120) |
| Part—V | : Language—II (Assamese) | (Q. Nos. 121–150) |

7. Part—IV contains 30 questions for Language—I and Part—V contains 30 questions for Language—II. In this Test Booklet, only questions pertaining to Assamese Language have been given. **In case, the language(s) you have opted for as Language—I and/or Language—II is/are language(s) other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part—V (Language—II) in a language other than the one chosen as Language—I (Part—IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) :
Name of the Candidate (in Capitals) : ____________________

अनुक्रमांक (अंकों में) / Roll Number (in figures) : ____________________

(शब्दों में) / (in words) : ____________________

परीक्षा-केन्द्र (बड़े अक्षरों में) :
Centre of Examination (in Capitals) : ____________________

परीक्षार्थी के हस्ताक्षर :
Candidate's Signature : ____________________

निरीक्षक के हस्ताक्षर :
Invigilator's Signature : ____________________

Facsimile Signature Stamp of Centre Superintendent ____________________

Prepp
Your Personal Exams Guide

এই পৰীক্ষণ-বহীত 16টা পৃষ্ঠা আছে

# CEF–26–I

পৰীক্ষণ-বহীখনৰ কোড

**V**

Language Code
**03**

## কাকত—I

## অসমীয়া ভাষা

### খণ্ড—IV আৰু V

এই পৰীক্ষণ-বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবাঁ।

এই পৰীক্ষণ-বহীখনৰ পিছৰ পৃষ্ঠাত (পৃষ্ঠা 15 আৰু 16) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া।

***পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :***

1. এই বহীখন মুখ্য পৰীক্ষণ-বহীখনৰ সহায়ক হিচাপে সেইসকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে অসমীয়া ভাষাৰ খণ্ড—IV (ভাষা—I) (Part—IV, Language—I) বা খণ্ড—V (ভাষা—II) (Part—V, Language—II)-ৰ উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষণ-বহীৰ পৰা—I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড—IV আৰু খণ্ড—V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ-বহীৰ সৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নিৰ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **ক'লা বা নীলা বল পেন** ব্যৱহাৰ কৰিবাঁ।
5. এইখন ভাষা বহীৰ (Language Booklet) কোড হ'ল **V** এইটো নিশ্চিত কৰা যে উত্তৰ-বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ-বহী আৰু ভাষা সহায়কত একেধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক (Invigilator) জনাব আৰু ভাষা সহায়ক পৰীক্ষণ-বহী সলাই ল'ব।
6. এই পৰীক্ষণ-বহীৰ দুটা খণ্ড—IV আৰু খণ্ড—V **60** টা চমু ধৰণৰ প্ৰশ্ন (Objective-type Questions) আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড—IV : ভাষা—I (অসমীয়া) (প্ৰশ্ন 91ৰ পৰা 120 লৈ)

   খণ্ড—V : ভাষা—II (অসমীয়া) (প্ৰশ্ন 121ৰ পৰা 150 লৈ)
7. খণ্ড—IV ত ভাষা—I ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড—V ত ভাষা—II ৰ বাবে 30 টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ-বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা—I অথবা ভাষা—II অসমীয়াৰ বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ-বহী খুজি ল'বা। তোমাৰ আৱেদন পত্ৰত (Application Form) উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিব।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড—V (ভাষা—II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড—IV (ভাষা—I)ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষণ-বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ-বহীতহে লিপিবদ্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবাঁ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ____________________

ৰোল নম্বৰ (সংখ্যাৰে) : ____________________

(আখৰেৰে) : ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) : ____________________

প্ৰাৰ্থীৰ চহী : ____________________ নিৰীক্ষকৰ চহী : ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (প্ৰশ্ন নং **91**-ৰ পৰা **120** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–IV (Q. Nos. 91–120)**, if they have opted **ASSAMESE** as **Language–I** only.

Prepp
Your Personal Exams Guide

# PART—IV / খণ্ড—IV

## LANGUAGE—I / ভাষা—I

## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–I (Language–I)** হিচাপে লৈছে, তেনেহ'লে **Part–IV** ৰ (**প্ৰশ্ন নং 91**ৰ **পৰা 120 লৈ**) উত্তৰ কৰিব।

**91.** অংকিতাই ছটা বেলেগ বেলেগ ভাষা বুজি পায় আৰু ক'ব পাৰে। অংকিতা এগৰাকী

(1) ভাষাবিদ
(2) বহুভাষী
(3) দ্বিভাষী
(4) একভাষী

**92.** ভাষা মিশ্ৰণ (code mixing), ভাষা সঞ্চৰণ (code switching), শিশুৰ ভাষা, গুপ্ত ভাষা, আদি বিষয়সমূহ পঢ়িবলৈ আগ্ৰহীজনে তলৰ কোনটো বিভাগত অধ্যয়ন কৰিব?

(1) নৃতত্ত্ববিদ্যা
(2) সমাজবিজ্ঞান
(3) সমাজ-ভাষাবিজ্ঞান
(4) সাংস্কৃতিক মনোবিজ্ঞান

**93.** তলত দিয়া ক্ষেত্ৰসমূহৰ কোনটো বিপৰীত বা ব্যতিৰেকী বিশ্লেষণ (contrastive analysis)ৰ অংশ **নহয়**?

(1) শব্দাৰ্থ-সম্বন্ধীয়
(2) আভিধানিক
(3) ধ্বনিবিজ্ঞান-বিষয়ক
(4) বাক্যতত্ত্ব-বিষয়ক

**94.** এগৰাকী ইংৰাজীৰ শিক্ষকে তেওঁৰ শ্ৰেণীকোঠাত সহজভাৱে মাতৃভাষাৰ ব্যৱহাৰ কৰিছে। শিক্ষকগৰাকীয়ে তলত উল্লেখ কৰা কোনটো পদ্ধতিৰ প্ৰয়োগ কৰিছে?

(1) ব্যাকৰণ-অনুবাদ পদ্ধতি
(2) সজ্জাগত মৌখিক পৰিস্থিতি
(3) প্ৰত্যক্ষ পদ্ধতি
(4) শ্ৰব্য-ভাষিক পদ্ধতি

**95.** কোনো ধৰণৰ বিশদ বিৱৰণ নকৰাকৈ চমুকৈ মূল কথাখিনি নিৰ্ভুলভাৱে উপস্থাপন কৰি লিখিব পৰা দক্ষতাটো হৈছে

(1) প্ৰচেছ লিখন
(2) টোকা গ্ৰহণ
(3) টোকা প্ৰস্তুতকৰণ
(4) সাৰাংশীকৰণ

**96.** তলত দিয়া কোনটোৰ দ্বাৰা ফলপ্ৰসূভাৱে কণ্ঠভংগী বা কণ্ঠস্বৰৰ প্ৰকাশ (voice expression) বিচাৰ কৰিব পৰা যায়?

(1) শব্দৰ চয়ন
(2) কণ্ঠৰ সুৰ (tone)
(3) মাত, কণ্ঠধ্বনি (vocals)
(4) কণ্ঠৰ গতিবেগ

**97.** একোটা শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক বহিবলৈ দিয়া স্থানসমূহৰ সালসলনি কৰা উচিত। কাৰণ, এনে কৰিলে

(1) ভিন-ভিন গোট গঠন কৰিব পৰা যাব, যোৰ (pair) পাতিব পৰা যাব আৰু সহজে সমগ্ৰ শ্ৰেণীজড়িত কাৰ্য কৰোঁৱাব পৰা যাব
(2) ছাত্ৰ-ছাত্ৰীবোৰে সিহঁতে য'তেই যেনেকৈ বহিব বিচাৰে, তেনেকৈ বহাৰ স্বাধীনতা পাব
(3) শিক্ষকগৰাকীয়ে তেওঁৰ শ্ৰেণীকোঠাটোৰ গুণ বৰ্তাই ৰাখিবলৈ সুবিধা পাব
(4) ছাত্ৰ-ছাত্ৰীবোৰক স্থায়ী বন্ধুত্বৰ গোট গঠন কৰাৰ পৰা বিৰত কৰিব পৰা যাব

**98.** বুনিয়াদী স্তৰত পঠন দক্ষতাৰ মূল্যায়ন কৰিবৰ কাৰণে তলত দিয়া কোনটোত শিক্ষকে আটাইতকৈ মনোযোগ দিয়া উচিত?

(1) যতিচিহ্নৰ ব্যৱহাৰ
(2) অনৰ্গলতাৰে বা সাৱলীলভাৱে পঠন
(3) বুজি পাই কৰা পঠন
(4) বৰ্ণমালাৰ আখৰবোৰ চিনি পোৱা

**99.** ফলপ্ৰসূ যোগাযোগ বা ভাব-বিনিময় নিশ্চিত কৰিবৰ কাৰণে কি কৰা উচিত?

(1) শাৰীৰিক অংগী-ভংগী কৰি থকা
(2) মনলৈ যি আহে তাকেই কোৱা
(3) প্ৰথমতে আনে কোৱাখিনি শুনা
(4) নিয়মীয়া বিৰতিত আনৰ কথাৰ মাজত ভাগ লোৱা বা মাত মতা

Prepp
Your Personal Exams Guide

**100.** ইংৰাজী ব্যাকৰণ শিকোৱাৰ এটা মুখ্য উদ্দেশ্য হৈছে

(1) ভাষণ আৰু লিখনত ধাৰণাসমূহ যুক্তিযুক্তভাৱে আৰু শুদ্ধকৈ প্ৰকাশ কৰাৰ দক্ষতা বিকাশ কৰা
(2) সূত্ৰ বা নিয়মবোৰ মনত ৰখাৰ দক্ষতা বৃদ্ধি কৰা
(3) অধ্যয়নত ৰাপ বৃদ্ধি কৰা
(4) আমাৰ ধাৰণাসমূহৰ মৌলিকতা বৃদ্ধি কৰা

**101.** বুনিয়াদী স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ লিখন দক্ষতা বিকাশ কৰোঁতে শিক্ষকে কেনেধৰণৰ বিষয়ৰ লগত জড়িত বিষয়ত লিখিবলৈ উৎসাহিত কৰা উচিত ?

(1) ধৰ্মীয় বিশ্বাস
(2) ব্যক্তিগত জীৱন
(3) সামাজিক বিষয়
(4) ৰাষ্ট্ৰীয় বিষয়

**102.** তোমাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীবোৰৰ মাজৰ ব্যক্তিবিশেষ-পাৰ্থক্যসমূহ চিহ্নিত কৰিব বিচাৰিছা। ইয়াৰ কাৰণে তুমি তলৰ কোনটোৰ প্ৰয়োগ কৰিবা ?

(1) হেতু নিৰ্ণায়ক (Diagnostic) মূল্যায়ন
(2) সাৰাংশীকৃত মূল্যায়ন
(3) গঠনাত্মক মূল্যায়ন
(4) সহপাঠীৰ মাজত পাৰস্পৰিক মূল্যায়ন

**103.** চমস্কীয়ে উত্থাপন কৰিছিল যে, ভাষা আহৰণ কৰাৰ জন্মগত তথা অন্তৰ্নিহিত ক্ষমতা হৈছে মানুহৰ এক জৈৱিক উত্তৰাধিকাৰ। এই উত্তৰাধিকাৰক কি বুলি জনা যায় ?

(1) ভাষা আহৰণৰ (acquire) ক্ষেত্ৰ
(2) ভাষা অধিগ্ৰহণ বা স্বীকৃতি (acceptance) অভিলাষ
(3) ভাষা আহৰণ (acquisition) সঁজুলি বা কৌশল
(4) ভাষা অভিযোজন (adaptation) ডিগ্ৰী

**104.** ভাষাৰ আটাইতকৈ ক্ষুদ্ৰতম অৰ্থবহ গোট হৈছে

(1) ধ্বনি বা বৰ্ণ (phoneme)
(2) ৰূপ (morpheme)
(3) বাক্যতত্ত্ব (syntax)
(4) শব্দাৰ্থ অধ্যয়নবিদ্যা (semantics)

**105.** দুই-তিনিমহীয়া শিশুৱে মুক্ত স্বৰধ্বনি কিছুমান উচ্চাৰণ কৰিব পাৰে। এনে উচ্চাৰণ তলত দিয়া কোনটোৰ উদাহৰণ ?

(1) কল্‌কলোৱা (babbling)
(2) চিঞঁৰা (shouting)
(3) এক-শব্দৰ উচ্চাৰণ (one-word utterances)
(4) কুন্‌কুনোৱা (cooing)

**নিৰ্দেশ :** তলৰ কবিতাটো মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত/শুদ্ধ বিকল্পটো নিৰ্বাচন কৰি উত্তৰ কৰাঁ :

আহিছে মানুহ    গইছে মানুহ,
    মানুহ মাৰাপী জীৱ ;
মানুহ সোঁতৰ    অন্ত নাইকিয়া,
    বুলিলে মৰত কিয় ?
মানৱী জনম    দিয়া উটুৱাই
    মানৱী কৰম সোঁতে ;
মানুহৰ মৰম    বুজিবা মানুহে
    ধৰম যে মৰমতে।
মানুহেই লগ    মানুহেই সঙ্গ
    মানুহেই পৰাৎপৰ ;
এই যে পৃথিৱী    স্বৰ্গতো অধিক
    মানুহৰ নিজাপী ঘৰ।
মানুহেই দেৱ    মানুহেই সেৱ
    মানুহ বিনে নাই কেৱ ;
কৰাঁ কৰাঁ পূজা    পাদ্য-অৰ্ঘ্য লৈ,
    জয় জয় মানৱ দেৱ।

**106.** পাদ্য-অৰ্ঘ্য লৈ কবিয়ে কাক পূজা কৰাৰ কথা কৈছে ?

(1) মাতৃক
(2) মাতৃভূমিক
(3) ইষ্টদেৱতাক
(4) মানুহক

Prepp
Your Personal Exams Guide

**107.** 'মানুহ ময়াপী জীৱ' বোলাৰ অৰ্থ কি?

(1) মানুহ জীৱশ্ৰেষ্ঠ (2) মানুহেই সৰ্বেসৰ্বা

(3) মানুহ মায়া-মোহত বন্দী (4) মানুহ মৰণশীল

**108.** কবিতাটোত উল্লিখিত 'জনম', 'কৰম', 'ধৰম' শব্দকেইটাৰ উৎস শব্দকেইটা হৈছে

(1) জন্ম, জীৱন, জগত (2) জন্ম, কৰ্ম, ধৰ্ম

(3) কৰ্ম, ধৰ্ম, জীৱন (4) জীৱন, কাৰ্য, ধ্যান

**109.** কবিতাটোৰ পংক্তিৰ মাজত দেৰ, সেৰ, কেৰ শব্দকেইটাৰ অন্ত্যমিল প্ৰয়োগ হৈছে। ইয়াৰে তৃতীয়টো শব্দৰ অৰ্থ হৈছে

(1) মানৱধৰ্ম (2) কেতিয়াও

(3) কোনো (4) মানৱ

**110.** উদ্ধৃত কবিতাটোত কোনবিধ কাব্যালংকাৰৰ প্ৰয়োগ স্পষ্ট?

(1) উপমা (2) ৰূপক

(3) চিত্ৰকল্প (4) অনুপ্ৰাস

**111.** উদ্ধৃত কবিতাটোত কবিয়ে কিহক বা কাক 'স্বৰ্গতকৈয়ো অধিক' বুলি কৈছে?

(1) মানুহৰ ঘৰক (2) এই পৃথিৱীখনক

(3) স্বদেশ বা মাতৃভূমিক (4) মানুহক

**নিৰ্দেশ :** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত/শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

কছাৰীসকলৰ সভ্যতা উচ্চমানৰ আছিল। তেওঁলোকৰ স্থাপত্যসমূহত মুছলমানসকলৰ প্ৰভাৱ দেখা যায়। ডিমাপুৰ, মায়বাং আৰু খাচপুৰকে ধৰি তেওঁলোকৰ ৰাজধানীসমূহৰ ভগ্নাৱশেষবোৰে আজিও এসময়ৰ অসমৰ প্ৰতাপী কছাৰী জাতিৰ পৰিচয় বহন কৰি আছে। আহোমসকলতকৈ বহু আগবে পৰা তেওঁলোকে ইটাৰ ব্যৱহাৰ জানিছিল। ডিমাপুৰ নগৰখন ইটাৰ প্ৰাচীৰেৰে আৱৰা আছিল। নগৰৰ পূবে সুউচ্চ জোঙা চূড়াৰে এখন প্ৰকাণ্ড দুৱাৰ আছিল। ইয়াৰ চাৰিওকাষে ইটাৰে নিৰ্মিত কেইবাচুকীয়া প্ৰকাণ্ড প্ৰকাণ্ড গম্বুজ আছিল। সেইবোৰত হাতী, হৰিণা, কুকুৰা, ম'ৰাচৰাই আদি খোদিত কৰা হৈছিল। ইয়াৰ উপৰিও ডিমাপুৰত ভালেমান পুখুৰীও খন্দোৱা হৈছিল। সেইদৰে চাৰিওফালে প্ৰাচীৰেৰে আৱৰা মায়বাঙতো বহুতো মন্দিৰৰ ভগ্নাৱশেষ পোৱা গৈছে।

চুটিয়া আৰু কছাৰীসকলৰ দৰেই ভূঞা সামন্তসকলৰ শাসনো প্ৰাক্-আহোম যুগৰ। প্ৰাচীন কামৰূপ ৰাজ্যৰ পূব অংশত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে ভূঞাসকলৰ সৰু সৰু ৰাজ্য আছিল। ভাষাৰ ফালৰ পৰা ভূঞা শব্দৰ অৰ্থ হৈছে মাটিৰ মালিক বা জমিদাৰ। তেওঁলোক কোনো নিৰ্দিষ্ট জাতিৰ মানুহ নাছিল। ৰজা নোহোৱাকৈ নিজ বাহুবলেৰে যিসকল লোকে ৰাজ্য শাসন কৰিছিল তেওঁলোকক ভূঞা বোলা হৈছিল। প্ৰত্যেকজন ভূঞাই নিজৰ ৰাজ্যৰ ভিতৰত স্বাধীন আছিল, কিন্তু উমৈহতীয়া শত্ৰুৰ বিৰুদ্ধে তেওঁলোক একেলগে থিয় দিছিল। যেতিয়ালৈকে কামৰূপৰ ৰজাসকল শক্তিশালী আছিল, ভূঞাসকল তেওঁলোকৰ অধীনত আছিল। কিন্তু তেৰ শতিকাৰ আগভাগৰ পৰাই মুছলমানৰ কামৰূপ আক্ৰমণৰ সুযোগ লৈ ৰাজ্যৰ পূবৰ অঞ্চলসমূহত ভূঞাসকল ক্ষমতাশালী হৈ উঠিছিল আৰু কামৰূপ ৰজাৰ অধীনতা প্ৰায় অস্বীকাৰ কৰিছিল। এনে সময়তে তুঘ্ৰিল খাঁৰ আক্ৰমণ আৰু ৰাজধানী কমতাপুৰলৈ স্থানান্তৰকৰণে তেওঁলোকক অধিক শক্তিশালী কৰি তুলিলে। সেই সময়ত ব্ৰহ্মপুত্ৰৰ উত্তৰে সোৱণশিৰি নৈলৈকে আৰু দক্ষিণে নগাঁৱৰ কপিলী নৈলৈকে সমগ্ৰ অঞ্চলত ভূঞাসকলে স্বাধীনভাৱে ৰাজ্য শাসন কৰিবলৈ ধৰিলে। আৰিমত্ত ৰজা হৈ মাজতে পূব কামৰূপৰ ভূঞাসকলৰ বিৰুদ্ধে অভিযান চলাই তেওঁলোকক কিছু কাললৈ দমন কৰিছিল যদিও আৰিমত্তৰ পাছত বা খেন বংশৰ ৰজাসকলৰ কোনো এজনেও ভূঞাসকলক দমন কৰিব পৰা নাছিল। ১৪৯৮ খ্ৰিষ্টাব্দত বংগৰ নবাব হুছেইন শ্বাহে কমতাপুৰ দখল কৰাৰ সময়ত ৰাজ্যৰ প্ৰধান ভূঞাসকলে হুছেইন শ্বাহৰ বশ্যতা স্বীকাৰ কৰাত হুছেইন শ্বাহে পুতেক দানিয়েলক হাজোত শাসনকৰ্তা পাতি গৌড়লৈ উভতি গৈছিল। কিন্তু হুছেইন শ্বাহ উভতি যোৱাৰ লগে লগেই ভূঞাসকল পুনৰ সংঘবদ্ধ হৈ মুছলমানক ৰাজ্যৰ পৰা খেদি পঠিয়ায়। যুদ্ধত দানিয়েলৰো প্ৰাণহানি হয়। ইয়াৰ পাছত ভূঞা সামন্তসকলে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য প্ৰতিষ্ঠা কৰি কমতা শাসন কৰিবলৈ লয়। কিন্তু তেওঁলোকৰ মাজত সৃষ্টি হোৱা শক্তি বৃদ্ধিৰ পাৰস্পৰিক সংঘৰ্ষৰ ফলত কিছুদিনৰ ভিতৰতে কমতা ৰাজ্যত অৰাজকতাই দেখা দিয়ে। অৱশ্যে সৰু সৰু ৰাজ্যত ৰাজত্ব কৰি থকাৰ কাৰণে ভূঞাসকল বেছি পৰাক্ৰমী নাছিল। কাৰণ চুটিয়া ৰজা ৰত্নধ্বজপাল বা আহোম স্বৰ্গদেৱ চুখাংফা আৰু চুজাংফাই ভূঞাসকলৰ ৰাজ্য অতিক্ৰম কৰিবলৈ গৈছিল। শেষত চুহুংমুং স্বৰ্গদেৱ উত্তৰ পাৰৰ ভূঞাসকলক পৰাস্ত কৰি তেওঁলোকৰ ৰাজ্য আহোম ৰাজ্যত চামিল কৰে। পুনৰ চুক্লেনমুং স্বৰ্গদেৱৰ দিনত ভূঞাৰ সতি-সন্ততিসকলে বিদ্ৰোহ কৰাত স্বৰ্গদেৱে সেই বিদ্ৰোহ কঠোৰ হাতেৰে দমন কৰে।

**112.** ব্ৰহ্মপুত্ৰৰ উত্তৰে সোৱণশিৰি নৈলৈকে আৰু দক্ষিণে নগাঁৱৰ কপিলী নৈলৈকে সমগ্ৰ অঞ্চলত কোনে স্বাধীনভাৱে শাসন কৰিছিল?

(1) ভূঞাসকলে (2) কছাৰীসকলে

(3) চুটিয়াসকলে (4) আহোমসকলে

**113.** ভূঞাসকলৰ বিষয়ে **শুদ্ধ** উক্তিটো বাচি উলিওৱাঁ।

(1) খেন বংশৰ ৰজাসকলৰ কোনো এজনেও ভূঞাসকলক দমন কৰিব পৰা নাছিল।

(2) ভূঞাসকলে কেতিয়াও বংগৰ নবাবৰ বশ্যতা স্বীকাৰ কৰা নাছিল।

(3) প্ৰাচীন কামৰূপৰ পশ্চিমদিশে ব্ৰহ্মপুত্ৰৰ পাৰত ভূঞাসকলৰ বৃহৎ ৰাজ্য আছিল।

(4) আৰিমত্তই ভূঞাসকলক কেতিয়াও দমন কৰিব পৰা নাছিল।

**114.** ''ডিমাপুৰ নগৰখন ইটাৰ প্ৰাচীৰেৰে আৱৰা আছিল।'
উদ্ধৃত বাক্যটোৰ ৰেখাংকিত প্ৰয়োগ হোৱা বিভক্তিটো হৈছে

(1) দ্বিতীয়া (2) তৃতীয়া

(3) চতুৰ্থী (4) প্ৰথমা

**115.** 'ভগ্নাৱশেষ' শব্দটোৰ সন্ধি ভাঙি দেখুওৱাঁ।

(1) ভগ্না + ৱশেষ (2) ভগ্নাৱ + শেষ

(3) ভগ্ন + শেষ (4) ভগ্ন + অৱশেষ

**116.** ''ইয়াৰ চাৰিওকাষে ইটাৰে নিৰ্মিত কেঁইবাচুকীয়া প্ৰকাণ্ড প্ৰকাণ্ড গম্বুজ আছিল।''
উদ্ধৃত বাক্যটোৰ ৰেখাংকিত পদটোত ______ প্ৰয়োগ হৈছে।

(1) গুণবাচক বিশেষ্যৰ (2) সমাসৰ

(3) প্ৰত্যয়ৰ (4) বিশেষণীয় বিশেষণৰ

**117.** ভাষিক দিশেৰে ভূঞা শব্দৰ অৰ্থ হৈছে

(1) শাসক (2) ৰজা বা মুৰব্বী

(3) উপাধি (4) মাটিৰ মালিক

**118.** ভূঞাসকলৰ সতি-সন্ততিয়ে কোনগৰাকী আহোম ৰজাৰ দিনত বিদ্ৰোহ কৰিছিল বুলি উল্লেখ কৰা হৈছে?

(1) চুজাংফা (2) চুখাংফা

(3) চুহুংমুং (4) চুক্লেনমুং

**119.** কছাৰীসকলৰ বিষয়ে **অশুদ্ধ** উক্তিটো বাচি উলিওৱাঁ।

(1) কছাৰী স্থাপত্য ইছলামীয় প্ৰভাৱপুষ্ট।

(2) তেওঁলোকে আহোমসকলৰ পৰা ইটাৰ ব্যৱহাৰ শিকিছিল।

(3) তেওঁলোক প্ৰতাপী আৰু সুদক্ষ শাসক আছিল।

(4) তেওঁলোকৰ স্থাপত্য অতি উচ্চমানৰ আছিল।

**120.** পিতৃয়ে হাজোৰ শাসনকৰ্তা হিচাপে অধিষ্ঠিত কৰা বংগৰ নবাবৰ পুত্ৰজন আছিল

(1) হুছেইন শ্বাহ (2) তুৰ্বক

(3) দানিয়েল (4) তুঘ্ৰিল খাঁ

Prepp
Your Personal Exams Guide

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো **ভাষা–II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ (প্ৰশ্ন নং **121**-ৰ পৰা **150** লৈ) উত্তৰ কৰিব।

Candidates should attempt the questions from **Part–V (Q. Nos. 121–150)**, if they have opted **ASSAMESE** as **Language–II** only.

Prepp
Your Personal Exams Guide

# PART—V / খণ্ড—V

## LANGUAGE—II / ভাষা—II

## Assamese / অসমীয়া

পৰীক্ষাৰ্থীসকলে যদিহে **অসমীয়া** বিষয়টো ভাষা–**II (Language–II)** হিচাপে লৈছে, তেনেহ'লে **Part–V** ৰ **(প্ৰশ্ন নং 121ৰ পৰা 150 লৈ)** উত্তৰ কৰিব।

**121.** শিশু এটাই মাতৃভাষা শিকাটো হৈছে

(1) ভাষা শিকন
(2) ভাষা সংমিশ্ৰণ
(3) বিমূৰ্ত ভাষা বিকাশ
(4) ভাষা আহৰণ (acquisition)

**122.** এগৰাকী সক্ৰিয় শ্ৰোতাই তলত দিয়া কোনটো লগে লগেই বুজি পাব পাৰে?

(1) কওঁতাজনে কি ক'বলৈ চেষ্টা কৰিছে
(2) আনজন ব্যক্তিয়ে কি কৈছে
(3) কওঁতাজনে কি ক'বলৈ বিচাৰিছে
(4) কথক বা কওঁতাজনে কোৰাখিনিৰ আঁৰত থকা যুক্তি

**123.** শ্ৰেণীকোঠাত কবিতা পঢ়াবৰ কাৰণে প্ৰথমে শিক্ষকজনে কবিতাটো পঢ়ি শুনালে আৰু তাৰ পাছত তেওঁ কিছুমান গোটত ছাত্ৰ-ছাত্ৰীবোৰক ভাগ কৰি দলীয় কাৰ্য কিছুমান কৰিবলৈ দিলে। এটা গোটে কবিতাটোৰ বিষয়বস্তু লিখিব, আন এটা গোটে কবিতাটোৰ মুখ্য চৰিত্ৰটোৰ ছবি আঁকিব আৰু আন এটা গোটে কবিতাটোৰ সাৰাংশ লিখিব। শিক্ষকজনৰ এই কাৰ্যৰ উদ্দেশ্য হৈছে

(1) শ্ৰেণীটোৰ সকলো ছাত্ৰ-ছাত্ৰীকে জড়িত কৰা
(2) শিকাৰুৰ ভিন ভিন দক্ষতা আৰু ৰাপক প্ৰোৎসাহিত কৰা
(3) ছাত্ৰ-ছাত্ৰীবোৰক মূল্যায়নৰ কাৰণে প্ৰস্তুত কৰা
(4) শিকাৰুৰ মন আনফালে ঢাল খুউৰা

**124.** দ্বিতীয় ভাষাৰ শ্ৰেণীকোঠা এটাত সাধাৰণতে বিভিন্ন ভাষাৰ সমাৱেশ হয়। এনে শ্ৰেণীকোঠাত শিক্ষকে কি কৰা উচিত?

(1) আৱশ্যকীয় দক্ষতাৰ বিকাশৰ কাৰণে এক সহজ পৰিৱেশ সৃষ্টি কৰা
(2) পাঠসমূহৰ সাৰাংশ আৰু সহজ ৰূপৰ যোগান ধৰা
(3) যথেষ্ট পৰিমাণে স্বেচ্ছা বিৱৰণমূলক টোকা দিয়া
(4) পাঠ্যসূচী সামৰিব পৰাকৈ বিভিন্ন কাৰ্যৰ কিছুমান ৱৰ্কশ্বীট কৰিবলৈ দিয়া

**125.** তুমি তোমাৰ ছাত্ৰ-ছাত্ৰীবোৰৰ এটা পৰীক্ষা লওঁতে প্ৰশ্নকাকতখন এনেদৰে প্ৰস্তুত কৰিছা যে সিহঁতে কাল, অব্যয়, প্ৰত্যয়, বিশেষণ আদি সঠিককৈ প্ৰয়োগ কৰিবলগা হয়। এইক্ষেত্ৰত তুমি কোনটো পদ্ধতি বা অভিগমন ব্যৱহাৰ কৰিছা?

(1) অপ্ৰত্যক্ষ বা আওপকীয়া ব্যাকৰণৰ পৰীক্ষা
(2) মিশ্ৰিত ব্যাকৰণ কাৰ্য
(3) সমন্বিত ব্যাকৰণ পৰীক্ষা
(4) প্ৰত্যক্ষ বা পোনপটীয়া ব্যাকৰণৰ পৰীক্ষা

**126.** শিশুবোৰে আগবয়সত দেৱাল, মজিয়া, টোকাবহী আদিত আঁক-বাক কৰে। ভাষা শিকনৰ এই স্তৰটোক কি বুলি জনা যায়?

(1) উদ্‌গমী সাক্ষৰতা
(2) লিখন দক্ষতা
(3) গ্ৰাফিক বিকাশ
(4) আঁক-বাক কৰণ

**127.** যোগাযোগমূলক ভাষা শিকনে তলত দিয়া কোন দুটাৰ পাৰস্পৰিক নিৰ্ভৰশীলতাত গুৰুত্ব দিয়ে?

(1) ভাষা আৰু কথোপকথন
(2) ভাষা আৰু আচৰণ
(3) ভাষা আৰু মনস্তত্ত্ব
(4) ভাষা আৰু যোগাযোগ

Prepp
Your Personal Exams Guide

**128.** তোমাৰ শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শিকন প্ৰক্ৰিয়াৰ ৰেকৰ্ড ৰাখিবৰ কাৰণে চুটি চুটি টোকাৰ কিছুমান ৰাখিবলগা হৈছে। এই কামৰ কাৰণে তুমি কোনটো কৌশল (technique) অৱলম্বন কৰিবা?

(1) প্ৰকল্প কাৰ্যৰ কৌশল
(2) মৌখিক কৌশল
(3) লক্ষ্য কৰাৰ কৌশল
(4) প্ৰদত্ত কাৰ্যৰ কৌশল

**129.** ব্যাকৰণৰ ক্ষেত্ৰত তলত দিয়া উক্তিকেইটাৰ ভিতৰত কোনটো **শুদ্ধ**?

(1) ব্যাকৰণৰ কিছুমান নীতি বা সূত্ৰ থাকে, যিবোৰ প্ৰয়োগৰ পূৰ্বে মুখস্থ কৰিব লগা হয়।
(2) ব্যাকৰণ হৈছে ভাষাৰ এক প্ৰণালী, যি আমাৰ কথা কোৱা আৰু লিখাৰ দক্ষতাক মসৃণ কৰি তোলে।
(3) বিদেশী ভাষা এটা শিকোঁতে ব্যাকৰণৰ কোনো ভূমিকা নাই।
(4) ব্যাকৰণৰ জ্ঞানে বক্তৃতা বা কথন সলসলীয়া হোৱাত সহায় কৰে।

**130.** যেতিয়া ভাষাৰ কোনো পৰিৱেশ বা অভিজ্ঞতাৰ সংস্পৰ্শলৈ নহাকৈ কেঁচুৱা এটা বা একেবাৰে কমবয়সীয়া শিশু এটা ডাঙৰ হয়, তেতিয়া তেনে শিশুৰ ভাষাৰ বিকাশ গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হয় আৰু এই ক্ষতিৰ সংশোধনো নহয়। তলৰ কোনটোৱে এই ব্যাখ্যাক প্ৰতিনিধিত্ব কৰে?

(1) বিকাশৰ স্পৰ্শকাতৰ স্তৰ
(2) সমাজ ভাষাবিজ্ঞান
(3) শব্দাৰ্থ অধ্যয়ন বিদ্যা
(4) সহজাত গুণবাদ (Nativism)

**131.** ব্যাকৰণ কিদৰে শিকোৱা উচিত?

(1) লিখিত প্ৰদত্ত কাৰ্য কৰিবলৈ দি
(2) শিকাৰুক ব্যাকৰণৰ সূত্ৰসমূহ মুখস্থ কৰিবলৈ উৎসাহিত কৰি
(3) শিকাৰুক পৰ্যাপ্ত পৰিমাণে প্ৰদত্ত কাৰ্য দি
(4) প্ৰসংগ অনুসৰি অনুশীলন কৰোৱাই

**132.** তুমি তোমাৰ শ্ৰেণীকোঠাত ভাষা-সমৃদ্ধ পৰিৱেশ এটা সৃষ্টি কৰিব বিচাৰিছা। ইয়াৰ কাৰণে তোমাৰ কি কৰা উচিত?

(1) শ্ৰেণীকোঠাত এটা ভাষা পৰীক্ষাগাৰ প্ৰতিষ্ঠা কৰিবা
(2) অভিভাৱকসকলক ভাষাজড়িত খেল আৰু কাৰ্য কিনি দিবলৈ উৎসাহ দিবা
(3) শিকাৰুৰ দ্বাৰা ভাষা দেখা, লক্ষ্য কৰা আৰু ব্যৱহাৰ কৰাৰ সুযোগ দিবা
(4) শ্ৰেণীকোঠাত যোগাযোগৰ কাৰণে শিকাৰুক কেৱল ইংৰাজী ব্যৱহাৰ কৰিবলৈ উৎসাহ দিবা

**133.** দ্বিতীয় ভাষা আহৰণৰ ক্ষেত্ৰত প্ৰযোজ্য সূত্ৰ বা তত্ত্বত আহৰণ (acquisition), স্বাভাৱিক, ইন্‌পুট, প্ৰভাৱী প্ৰমেয় (dominant hypothesis), আদি পৰিভাষাসমূহ ব্যৱহাৰ কৰা ভাষাবিদগৰাকী আছিল

(1) ষ্টিভেন পিংকাৰ
(2) চমস্কী
(3) ষ্টিফেন ক্ৰেশ্বেন
(4) ৱীগট্‌স্কী

**134.** স্তৰ আৰু পৰ্যায়ক্ৰম (grading and sequence)-ৰ আদৰ্শসমূহ তলত দিয়া কোনটোৱে জড়িত কৰায়?

(1) স্তৰীকৰণ
(2) অভ্যাস গঠন
(3) স্বাভাৱিক ধৰণটো অনুসৰণ কৰা
(4) নিয়ন্ত্ৰিত শব্দসম্ভাৰ

**135.** তুমি লক্ষ্য কৰিছা যে তোমাৰ ছাত্ৰ-ছাত্ৰীবোৰক লক্ষ্য ভাষা (target language)-ৰ নমুনা কিছুমানৰ সৈতে পৰিচয় কৰাই সিহঁতক সেইবোৰ অনুকৰণ আৰু সঁহাৰিব প্ৰতি উৎসাহিত কৰাৰ প্ৰয়োজনীয়তা আছে। এই উদ্দেশ্যৰ কাৰণে তলত দিয়া কোনটো পদ্ধতি আটাইতকৈ উপযুক্ত হ'ব?

(1) যোগাযোগমূলক ভাষা শিক্ষণ
(2) শ্ৰব্য-ভাষিক পদ্ধতি
(3) ব্যাকৰণ-অনুবাদ পদ্ধতি
(4) প্ৰত্যক্ষ পদ্ধতি

**নিৰ্দেশ :** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত/শুদ্ধ উত্তৰটো বাছি উলিওৱাঁ :

হাৰাৰ্ড ডেনিচন মোমিনক 'আধুনিক গাৰো সাহিত্যৰ জনক' বুলি আখ্যা দিয়া হৈছিল। তেৱেঁই পোনপ্ৰথমে 'Achik Kurang' অৰ্থাৎ 'গাৰো মানুহৰ মাত' নামৰ গাৰো ভাষাৰ এখন আলোচনী প্ৰকাশ কৰিছিল।

প্ৰথমাৱস্থাত শিক্ষকতাই তেওঁৰ জীৱিকাৰ মূল পথ আছিল। কিন্তু পাছৰ কালছোৱাত সামাজিক কামত ব্যস্ততাৰে জীৱন অতিবাহিত কৰিছিল।

১৯১৩ চনৰ ২০ ফেব্ৰুৱাৰীত মেঘালয়ৰ সৰু চহৰ তুৰাত হাৰাৰ্ড ডেনিচনৰ জন্ম হৈছিল। তেওঁৰ পিতৃ জবাং ডি মাৰাক আমেৰিকালৈ পঢ়িবলৈ যোৱা গাৰো সম্প্ৰদায়ৰ ভিতৰত প্ৰথমজন ব্যক্তি আছিল। জবাং ডি মাৰাক ১৯০৫ চনৰ পৰা ১৯১১ চনলৈকে আমেৰিকাৰ হাৰ্ৱাৰ্ড বিশ্ববিদ্যালয়ৰ 'ডেনিচন স্কুল'ত শিক্ষা লাভ কৰিছিল। তাৰে স্মৃতিস্বৰূপে তেওঁ নিজৰ জ্যেষ্ঠ পুত্ৰৰ নাম 'হাৰৱাৰ্ড ডেনিচন ডব্লিউ মোমিন' বুলি ৰাখিছিল। ইয়াৰ অৰ্থ শিক্ষা আৰু ধৰ্মৰ উৎপত্তি। হাৰৱাৰ্ড ডেনিচন ডব্লিউ মোমিনে কলিকতাত পঢ়ি থকা অৱস্থাত তেওঁৰ নাম 'হাৰাৰ্ড ডেনিচন মোমিন' নামেৰে সলনি কৰিছিল।

তেওঁৰ ন বছৰ বয়সত কলিকতাৰ সেণ্ট জেমচ ইংলিচ স্কুলত নাম ভৰ্তি কৰা হয়। এইখন স্কুলত পঢ়ি থকা সময়ছোৱাত হাৰাৰ্ড ডেনিচনৰ হাতে আঁকা ছবিখন লণ্ডনত অনুষ্ঠিত হোৱা একাদশ কমনৱেলথ একজিভিচনলৈ পঠিওৱা হৈছিল আৰু হাৰাৰ্ড ডেনিচনে সন্মানজনক পুৰস্কাৰ লাভ কৰিছিল। হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা ১৯৩৪ চনত স্নাতক ডিগ্ৰী লাভ কৰে, ১৯৩৬ চনত ইংৰাজী সাহিত্য বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিছিল। ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা গাৰো সম্প্ৰদায়ৰ ভিতৰত প্ৰথমজন ব্যক্তি আছিল হাৰাৰ্ড ডেনিচন মোমিন।

হাৰাৰ্ড ডেনিচন মোমিনক তুৰাৰ শাসকীয় বিভাগত বিচাৰকৰ্তা নিযুক্তি দিয়া হৈছিল। ১৯৪০ চনত গুৱাহাটীৰ কটন কলেজত ইংৰাজী বিষয়ৰ প্ৰবক্তা হিচাপে যোগদান কৰিছিল। কটন কলেজত কৰ্মৰত অৱস্থাত কিছুসংখ্যক গাৰো ছাত্ৰ-ছাত্ৰীৰ সহযোগত তেওঁ 'আছিক খুৰাং' নামৰ আলোচনীখন প্ৰকাশ কৰিছিল।

তেওঁ লিখা কবিতাসমূহৰ ভিতৰত ১৯৪১ চনত 'গাৰো মাত-বোল', 'NANGKO GISIK RAGEN' (তোমালৈ মনত পৰিব), 'DO. MA SKINI GIT' (চাতকী চৰাইৰ গীত), 'SENGWAT' (জোনাকী পৰুৱা), 'ME.CHIK ARO TA-MAKU' (মাইকী আৰু তবাকু) আৰু ১৯৪২ চনত 'BILSI GITAL' (নতুন বছৰ) এইবোৰেই প্ৰধান আছিল।

**136.** উচ্চ শিক্ষা গ্ৰহণৰ উদ্দেশ্যৰে আমেৰিকালৈ যোৱা গাৰো সম্প্ৰদায়ৰ প্ৰথম ব্যক্তিজন হাৰৱাৰ্ডত কিমান সময় আছিল?

(1) প্ৰায় দু-বছৰ
(2) প্ৰায় সাত বছৰ
(3) প্ৰায় তেৰ বছৰ
(4) প্ৰায় দুই দশক

**137.** 'চেংৱাট'ৰ অসমীয়া ৰূপান্তৰণ হৈছে

(1) স্মৃতি
(2) চাতকী চৰাই
(3) জোনাকী পৰুৱা
(4) মাত বা মাত-বোল

**138.** 'উত্তীৰ্ণ' শব্দটোৰ বিপৰীত অৰ্থসূচক শব্দটো হৈছে

(1) বিফলতা
(2) অনুত্তীৰ্ণ
(3) পৰীক্ষা
(4) সফলতা

**139.** 11th Commonwealth Exhibition-ত হাৰাৰ্ড ডেনিচনে কি কাৰণে পুৰস্কাৰ লাভ কৰিছিল?

(1) ক্ৰীড়াত দেখুওৱা প্ৰদৰ্শনৰ কাৰণে
(2) ইংৰাজীত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা প্ৰথমজন গাৰো ব্যক্তি হোৱা কাৰণে
(3) গাৰো সাহিত্যৰ জনক হোৱা কাৰণে
(4) তেওঁ আঁকা ছবিৰ কাৰণে

**140.** ''প্ৰথমাৱস্থাত শিক্ষকতাই তেওঁৰ জীৱিকাৰ মূল পথ আছিল। <u>কিন্তু</u> পাছৰ কালছোৱাত সামাজিক কামৰ ব্যস্ততাৰে জীৱন অতিবাহিত কৰিছিল।''

উদ্ধৃত বাক্যটোৰ ৰেখাংকিত পদটো হৈছে

(1) গুণবাচক বিশেষণ
(2) ভাববোধক অব্যয়
(3) ক্ৰিয়া বিশেষণ
(4) সংযোজক অব্যয়

**141.** হাৱাৰ্ড ডেনিচন মোমিনে ‘আছিক খুৱাং’ নামৰ আলোচনীখন কেতিয়া প্ৰকাশ কৰিছিল ?

(1) তেওঁ কটন কলেজৰ শিক্ষক থাকোঁতে

(2) তেওঁৰ পিতৃ আমেৰিকাত থকা দিনবোৰত

(3) তেওঁৰ পিতৃ আমেৰিকাৰ পৰা উভতি অহাৰ ঠিক পাছতে

(4) তেওঁ কটন কলেজৰ ছাত্ৰ থাকোঁতে

**142.** হাৱাৰ্ড ডেনিচনে কেতিয়া আৰু ক'ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰিছিল ?

(1) ১৯৪০ চনত, গুৱাহাটীৰ কটন কলেজৰ পৰা

(2) ১৯৫০ চনত, আমেৰিকাৰ হাৱাৰ্ড বিশ্ববিদ্যালয়ৰ পৰা

(3) ১৯৩৬ চনত, আমেৰিকাৰ ডেনিচন স্কুলৰ পৰা

(4) ১৯৩৪ চনত, কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ পৰা

**নিৰ্দেশ :** তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত/শুদ্ধ বিকল্পটো বাছি উলিয়াই উত্তৰ কৰাঁ :

পেৰিছৰ নটেৰ-ড্যাম কেথেড্ৰেল কিন্তু সবাতোকৈ পুৰণা নহয়। ছেন্ট-জাৰমেইন-ড্য-পেঁচ গীৰ্জাহে পুৰণা। ইয়াৰ আৰম্ভণি হৈছিল একাদশ শতিকাত। পেৰিছলৈ আহি যদি আপুনি সময় নাপায় আৰু যিকোনো পেৰিছিয়ান মহিলাক সোধে যে মোৰ হাতত সময় বৰ কম, ইয়াৰ ভিতৰতে কি কি চাম বা কি চালে পেৰিছৰ কথা বুজিম, আপুনি হয়তো দহগৰাকীৰ ভিতৰত ন-গৰাকীৰ পৰা উত্তৰ পাব—আইফিল টাৱাৰ, সঁ এলিয়াঁ, লুভ, চিয়েন নদী আৰু নটেৰ-ড্যাম। সঁচাই জানে এই পাঁচবিধ দ্ৰষ্টব্য ঠাই চালে পেৰিছৰ আত্মাক চিনিব পৰা যায়।

এনেহেন বিখ্যাত নটেৰ-ড্যাম গীৰ্জাত আমি চেন নাইবা চিয়েন (অশুদ্ধ উচ্চাৰণ) নদীৰ মাজত দুটা সৰু দ্বীপ এটা ইল ড্য লা চাইট (Ile de la Cite) আনটো ইল ড্য চেঁ লুই (Ile de St. Louis)। প্ৰথমটোতেই অৱস্থিত—এই বিখ্যাত কেথেড্ৰেল। ধৰক আমাৰ গুৱাহাটীৰ বুকুৰ উৰ্বশী-উমানন্দৰ দৰে। কল্পনা কৰি লওক মাথোন দুয়োটা দলং দি সংযোগ কৰা হৈছে—কাছাৰীঘাটৰ পৰা।

আমি নটেৰ-ড্যাম কেথেড্ৰেলত গৈ দেখোঁ প্ৰাৰ্থনা হৈ আছে। আমি সোমাবলৈ অলপ ইতস্ততঃ কৰিছিলো। দুৱাৰ মুখত থকা মানুহ এজনে সুধিলে ভিতৰখন চাব নেকি ? মূৰ জোকাৰিলোঁ। সোমাবলৈ দিলে। ভিতৰত সোমাই দেখোঁ বিৰাট কাৰবাৰ। প্ৰায় হেজাৰতকৈ বেছি মানুহে ভিতৰত প্ৰাৰ্থনা কৰি আছে। বেদীৰ ওচৰত প্ৰায় চাৰিটা পিয়ানোত চাৰ্চ মিউজিক বজাইছে। দাঁতিৰ পিনে মমবাতি ৰং-বিৰঙৰ জ্বলাই দিছে। এটা স্বৰ্গীয় পৰিবেশ, এন্ধাৰ-পোহৰৰ, লুকা-ভাকু, সুগন্ধি সুবাসেৰে গোন্ধাই আছে, কিছু মানুহ প্ৰাৰ্থনাত মগ্ন আৰু এই বিয়াগোম কেথেড্ৰেলত আমাৰ নিজকে পৰুৱাৰ দৰে লাগিছে।

প্ৰত্যেকটো স্তম্ভৰ মাজতে এখনকৈ পেইন্টিং। বিখ্যাত শিল্পীয়ে অঁকা। বেছিভাগ ধৰ্মীয় ছবি। যীশুৰ জীৱনৰ বিভিন্ন ঘটনাক আলম কৰি অঁকা ছবি।

বহু বছৰ আগতে প্ৰথম পেৰিছবাসী, এই সৰু দ্বীপটোত বসবাস কৰিছিল। পেৰিছ সংস্কৃতিৰ বিকাশৰ কেন্দ্ৰ এই নিচেই সৰু দ্বীপটোৱেই নটেৰ-ড্যামত যোৱা দুহাজাৰ বছৰৰ পৰা প্ৰাৰ্থনা কৰা হয়। বৰ্তমানৰ নটেৰ-ড্যাম গীৰ্জাটো ১১৬৩ চনত গথিক আৰ্হিত নিৰ্মাণ কৰা হয়।

ইভে মাজে মাজে বৰ আমোদৰ কথা কয় ঃ “পেৰিছিয়ানবোৰ অলপ আৰামপ্ৰিয়, সকলো কাম ধীৰে-সুস্থিৰে কৰে, গতিকে এই কেথেড্ৰেলটো সজা আৰম্ভ হয় যদিও ১২ শতিকাত, শেষ হয় চৈধ্য শতিকাত, ১৩৪৫ চনত। অৰ্থাৎ মাত্ৰ প্ৰায় দুশ বছৰ লাগে।” (এতিয়ালৈকে ভাবিছিলোঁ অসমকহে লেণ্ড অৱ্ লাহে লাহে বোলে—এতিয়া দেখিছোঁ পেৰিছবাসীও কম নহয়।)

**143.** প্ৰাৰ্থনা হৈ থকা সময়ত গীৰ্জাৰ সংগীত ক'ত, কেনেদৰে বজোৱা হৈছিল ?

(1) প্ৰায় এহেজাৰ মানুহে মিলি সমস্বৰে

(2) গীৰ্জাৰ মূল প্ৰৱেশদ্বাৰত, কেইবাখনো ভায়লিন আৰু চাৰিটামান পিয়ানোত

(3) বিয়াগোম কেথেড্ৰেলৰ মজিয়াত, কণ্ঠ আৰু পিয়ানোৰ সৈতে

(4) ভিতৰৰ বেদীৰ ওপৰত, চাৰিটা পিয়ানোত

Prepp
Your Personal Exams Guide

**144.** নটেৰ-ড্যাম কেথেড্ৰেলৰ বিষয়ে **শুদ্ধ** উক্তিটো বাচি উলিওৱাঁ।

(1) এই গীৰ্জাটোৰ স্থাপত্য গথিক আৰ্হিৰ।

(2) গীৰ্জাটো সাজোঁতে প্ৰায় এক শতিকা লাগিছিল।

(3) ই ফ্ৰান্সৰ আটাইতকৈ পুৰণি গীৰ্জা।

(4) পৰ্যটকৰ কাৰণে এই প্ৰাচীন গীৰ্জাৰ মূল প্ৰাৰ্থনাস্থল মুকলি নহয়।

**145.** ছেন্ট-জাৰমেইন-ড্য-পেঁচ হৈছে

(1) এগৰাকী কেথলিক ছে'ন্ট বা সন্ত

(2) পেৰিছৰ আটাইতকৈ পুৰণি গীৰ্জা

(3) নটেৰ-ড্যাম কেথেড্ৰেলৰ পিছতে পেৰিছৰ আটাইতকৈ পুৰণি গীৰ্জা

(4) এগৰাকী প্ৰটেষ্টাণ্ট ছে'ন্ট বা সন্ত

**146.** 'বিখ্যাত' শব্দটোৰ বিপৰীত অৰ্থসূচক শব্দটো হৈছে

(1) বিশ্ববিশ্ৰুত
(2) প্ৰখ্যাত
(3) খ্যাতি
(4) অখ্যাত

**147.** 'ইতস্ততঃ' শব্দটোৰ অৰ্থ হৈছে

(1) এৰা-ধৰা
(2) অলপ অসন্তুষ্ট হোৱা
(3) দোধোৰ-মোধোৰ
(4) লাজ পোৱা

**148.** পেৰিছক বুজি পাব পৰাকৈ পৰ্যটকে চাবলগা স্থানসমূহৰ ভিতৰত তলৰ কোনটো অন্তৰ্ভুক্ত **নহয়**?

(1) ছেন্ট-জাৰমেইন-ড্য-পেঁচ
(2) নটেৰ-ড্যাম
(3) লুভ
(4) সঁ এলিয়াঁ

**149.** বৰ্তমানৰ নটেৰ-ড্যাম গীৰ্জাটো কেতিয়া নিৰ্মাণ কৰা হৈছিল?

(1) দ্বাদশ শতিকাত
(2) ১৩৪৫ চনত
(3) ১২৩৬ চনত
(4) একাদশ শতিকাত

**150.** ইল ড্য লা চাইট আৰু ইল ড্য চেঁ লুইক লেখকে কিহৰ সৈতে তুলনা কৰিছে?

(1) কাছাৰীঘাট আৰু উমানন্দৰ সৈতে

(2) কাছাৰীঘাট আৰু উত্তৰ গুৱাহাটীৰ সৈতে

(3) উৰ্বশী আৰু উমানন্দৰ সৈতে

(4) চেন নদী আৰু ব্ৰহ্মপুত্ৰৰ সৈতে

Prepp
Your Personal Exams Guide

SPACE FOR ROUGH WORK

★ ★ ★



Prepp Your Personal Exam Guide

Prepp
Your Personal Exams Guide

*তলত দিয়া নিৰ্দেশাৱলী মনোযোগেৰে পঢ়া :*

**1.** ভিন্ ভিন্ প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষণ-বহীত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে মনোযোগেৰে পঢ়িবা।

**2.** প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ-বহীৰ **দ্বিতীয় পিঠিত ক'লা বা নীলা বল পেনেৰে ঘূৰণীয়াকৈ** বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰ পৰিৱৰ্তন কৰিব নোৱাৰা।

**3.** উত্তৰ-বহীখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-বহীৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

**4.** পৰীক্ষণ-বহী আৰু উত্তৰ-বহী মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ পৰীক্ষণ-বহী আৰু উত্তৰ-বহীৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প পৰীক্ষণ-বহী আৰু উত্তৰ-বহী দিয়া নহ'ব।

**5.** পৰীক্ষণ-বহী/উত্তৰ-বহীত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা।

**6.** OMR উত্তৰ-বহীত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰৰ দ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নোৱাৰিব।

**7.** পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহত প্ৰৱেশ পত্ৰৰ বাহিৰে অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, ম'বাইল ফ'ন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে।

**8.** ম'বাইল ফ'ন, যি কোনো বেতাঁৰ সংযোগ সঁজুলি (আনকি চুইট্‌শ্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষা গৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেওঁলোকৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপন্থা গ্ৰহণ কৰা হ'ব।

**9.** প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

**10.** নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

**11.** পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ-বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহ'লে উত্তৰ-বহী নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব।

**12.** ইলেক্ট্ৰনিক/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

**13.** পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

**14.** কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী আৰু উত্তৰ-বহী কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

**15.** **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে উত্তৰ-বহী নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষণ-বহী লগত নিব পাৰে।**

Prepp
Your Personal Exams Guide

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर-पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉलपॉइंट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस उत्तर-पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं उत्तर-पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर-पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/उत्तर-पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर-पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच्ड ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी के विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना उत्तर-पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने उत्तर-पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अँगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी हालत में परीक्षा पुस्तिका और उत्तर-पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व उत्तर-पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue/Black Ballpoint Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
4. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the Examination Hall/Room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the Examination Hall/Room. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, before leaving the Hall/Room, the candidate must hand over the Answer Sheet to the Invigilator in the Hall/Room.** ***The candidates are allowed to take away this Test Booklet with them.***